# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 12-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা ৮ বজাত দেশবাসীক উদ্দেশ্যি ভাষণ দিব।

২। ভাৰত আৰু পাকিস্তানৰ মাজত প্ৰতিৰক্ষা সামৰিক অভিযানৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ বৈঠক আজি সন্ধিয়া অনুষ্ঠিত হয়।

৩। বায়ু সেনাৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান এয়াৰ মাৰ্ছেল এ কে ভাৰতীয়ে কয়, যে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰা আন্তঃগাথনিৰ বিৰুদ্ধেহে ভাৰতে যুঁজ দিছিল, পাকিস্তানী সেনাৰ সৈতে নহয়।

৪। দেশৰ জনসাধাৰণৰ নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে ১০ টা কৃত্ৰিম উপগ্ৰহই ২৪ ঘণ্টাই অহৰহ কাম কৰি আছে বুলি ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে প্ৰকাশ কৰিছে।

*আৰু*

৫। জনপ্ৰিয় ক্ৰিকেটাৰ বিৰাট কোহলীয়ে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা ৮ বজাত দেশবাসীক উদ্দেশ্যি ভাষণ দিব। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতে চলোৱা অপাৰেশ্বন সিন্দুৰ সন্দৰ্ভত শ্ৰীমোদীয়ে দেশবাসীক সম্বোধন কৰিব। উল্লেখযোগ্য যে এই নৃশংস আক্ৰমণত সন্ত্ৰাসবাদীয়ে ২৫ জন ভাৰতীয় নাগৰিক আৰু এজন নেপালী নাগৰিকক হত্যা কৰিছিল। প্ৰত্যুত্তৰত ভাৰতে সিন্দুৰ অভিযানৰ জৰিয়তে পাকিস্তানৰ বহুকেইটা সন্ত্ৰাসবাদী ঘাটি ধৱংস কৰাৰ লগতে শতাধিক সন্ত্ৰাসবাদী নিঃশেষ কৰে।

ইয়াৰ পূৰ্বে আজি বিয়লি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ নতুন দিল্লীৰ বাসগৃহত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, চীফ অফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানকে ধৰি তিনিওটা বাহিনীৰ মুৰব্বী তথা কেইবাগৰাকী শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত প্ৰতিৰক্ষা সামৰিক অভিযানৰ সঞ্চালক প্ৰধান পৰ্যায়ৰ বৈঠক আজি সন্ধিয়া অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে বৈঠকখন দিনৰ ১২ বজাত অনুষ্ঠিত হোৱাৰ কথা আছিল।

০০০০০

বায়ু সেনাৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান এয়াৰ মাৰ্ছেল এ কে ভাৰতীয়ে কয়, যে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰা আন্তঃগাথনিৰ বিৰুদ্ধেহে ভাৰতে যুঁজ দিছিল, পাকিস্তানী সেনাৰ সৈতে নহয়। পাকিস্তানী সেনাই এই ক্ষেত্ৰত হস্তক্ষেপ কৰি ভাৰতীয় সশস্ত্ৰ বাহিনীক প্ৰত্যুত্তৰ দিবলৈ বাধ্য কৰোৱাটো দুখৰ বিষয় বুলি সঞ্চালকপ্ৰধানগৰাকীয়ে মন্তব্য কৰে। নতুন দিল্লীত আজি অপাৰেশ্বন সিন্দুৰ সন্দৰ্ভত এখন সংবাদ মেলত অংশ লৈ এয়াৰ মাৰ্ছেলগৰাকীয়ে  সেনা বাহিনীয়ে এই অভিযানৰ সময়ত কেনেদৰে দেশৰ অসামৰিক লোক আৰু সামৰিক আন্তঃগাথনিৰ ক্ষতি পাৰ্যমানে কম কৰে সেই সন্দৰ্ভত সবিশেষ প্ৰকাশ কৰে। তেওঁ সশস্ত্ৰ সেনা বাহিনীৰ সংহত বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ কথা উল্লেখ কৰি কয়, যে ইয়াত প্ৰতিৰক্ষা, নৌ আৰু বায়ু সেনাৰ প্ৰতিৰক্ষা ব্যৱস্থা অন্তৰ্ভুক্ত হৈ আছে। পাকিস্তানে বহু সংখ্যক ড্ৰোন আৰু মানৱবিহীন যুদ্ধ বিমানেৰে আক্ৰমণ কৰাৰ কথা প্ৰকাশ কৰি শ্ৰীভাৰতীয়ে কয়, যে এই আক্ৰমণক সু-প্ৰশিক্ষিত বায়ু সেনাৰ জোৱান তথা থলুৱাভাৱে বিকশাই তোলা ছফ্‌ট আৰু হাৰ্ড কিল কাউণ্টাৰ - ইউ এ এছ্‌ ব্যৱস্থাৰে প্ৰতিহত কৰা হয়। বিগত সপ্তাহত শত্ৰুপক্ষৰ সৈতে হোৱা সংঘৰ্ষৰ পৰিণতি সন্দৰ্ভত এয়াৰ মাৰ্ছেল গৰাকীয়ে কয়, যে চীনত নিৰ্মিত পাকিস্তানৰ পি এল 15 ক্ষেপনাস্ত্ৰ লক্ষ্যভ্ৰষ্ট হয় আৰু লইতাৰ গোলাবাৰুদ তথা মানৱবিহীন যুদ্ধবিমানো ধ্বংস কৰা হয়। ভাৰতৰ প্ৰত্যাক্ৰমণ সন্দৰ্ভত সঞ্চালকপ্ৰধানগৰাকীয়ে নুৰ খান আৰু ৰাম য়াৰ খান বায়ুসেনা ঘাটিত আক্ৰমণৰ কথা উল্লেখ কৰি কয়, যে ভাৰতে শত্ৰুপক্ষৰ প্ৰতিটো ক্ষেত্ৰকে লক্ষ্য কৰি লয়। শ্ৰীভাৰতীয়ে এই অভিযানত সীমান্ত সুৰক্ষা বাহিনীৰ সহযোগিতাৰ প্ৰশংসা কৰে। তেঁও কয় যে তিনিওটা বাহিনীৰ মাজৰ পূৰ্ণ সহযোগিতাই অপাৰেশ্বন সিন্দুৰ সফল হোৱাত সহায় কৰিলে। এই অভিযানৰ প্ৰতি চৰকাৰ, বিভিন্ন বিভাগ আৰু সংস্থাৰ লগতে ১৪০ কোটি ভাৰতীয় নাগৰিকৰ পূৰ্ণ সমৰ্থন আছিল বুলি শ্ৰীভাৰতীয়ে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে শেহতীয়া সংবাদমেলত পাকিস্তানী সেনাৰ কেতবোৰ দাবী ভুৱা বুলি প্ৰকাশ কৰিছে। পাকিস্তানে ভাৰতৰ  কিছু সংবাদ মাধ্যমে ভাৰতীয় বিমান ঘাটি ক্ষতিগ্ৰস্ত হোৱাৰ কথা স্বীকাৰ কৰিছে বুলি মিছা দাবী কৰিছিল। প্ৰেছ্‌ ইনফৰমেশ্বন ব্যুৰোৰ ফেক্ট ছেক গোটে প্ৰকাশ কৰা মতে, পাকিস্তানে ইয়াৰ প্ৰমাণ হিচাপে বিসংগতিপূৰ্ণ ভিডিঅ' প্ৰচাৰ কৰি নিজৰ জনসাধাৰণকে বিপথে পৰিচালিত কৰিছে। পাকিস্তানৰ অন্তঃৰ্বৰ্তী সেনা জনসম্পৰ্ক মহানিৰ্দেশকে কালি এখন সংবাদমেলত ভাৰতীয় সংবাদমাধ্যমে প্ৰচাৰ কৰা এটা সম্পূৰ্ণ ভিডিঅ'ৰ কিছু অংশ সম্পাদনা কৰি দেখুৱাইছিল। বাস্তৱিকতে সেই ভিডিঅ'টোত সেনা বাহিনীয়ে পাকিস্তানী বিমানঘাটি ধ্বংস কৰাহে দেখা পোৱা গৈছিল বুলি চৰকাৰে উল্লেখ কৰিছে।

ooooo

দেশৰ জনসাধাৰণৰ নিৰাপত্তা আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে ১০ টা কৃত্ৰিম উপগ্ৰহই ২৪ ঘণ্টাই অহৰহ কাম কৰি আছে বুলি ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান-ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে প্ৰকাশ কৰিছে। ইম্ফলৰ কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয়ৰ পঞ্চম সমাৱৰ্তনত অংশ লৈ অধ্যক্ষগৰাকীয়ে কয়, যে দেশৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে আমাৰ ৭ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূল অঞ্চল নিৰীক্ষণ কৰিব লাগিব। কৃত্ৰিম উপগ্ৰহ আৰু ড্ৰোন প্ৰযুক্তিৰ অবিহনে এয়া সম্ভৱ নহয় বুলি উল্লেখ কৰি শ্ৰীনাৰায়ণনে কয়, যে ইছৰোৱে কৃষি, টেলি-শিক্ষা, টেলি ঔষধ, দূৰদৰ্শনৰ সম্প্ৰচাৰ, বতৰৰ আগজাননী, পৰিবেশ, খাদ্য, সুৰক্ষা আৰু কৌশলগত খণ্ডত সেৱা আগবঢ়াই আহিছে। ইছৰোৰ পূৰ্বৰ অভিযানৰ সাফল্যৰ কথা উল্লেখ কৰি তেওঁ কয়, যে ৩৪ খন দেশৰ কমেও ৪৩৩ টা কৃত্ৰিম উপগ্ৰহ

ভাৰতৰ পৰা উৎক্ষেপন কৰা হৈছে আৰু ইয়াৰ কক্ষপথত সফলভাৱে স্থাপন কৰা হৈছে। তেওঁ কয়, যে ১৯৭৫ চনলৈকে ভাৰতৰ কোনো উপগ্ৰহ প্ৰযুক্তি নথকাৰ বাবে উন্নত দেশৰ তুলনাত ভাৰত এই ক্ষেত্ৰত প্ৰায় ৭০ বছৰ পিছপৰি আছিল। তেওঁ সাধাৰণ লোকৰ উন্নয়নৰ বাবে উন্নত উপগ্ৰহ প্ৰযুক্তিৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ড০ নাৰায়ণনে স্বাধীনতাৰ এশ বছৰ সম্পূৰ্ণ কৰাৰ পূৰ্বে প্ৰতিটো ক্ষেত্ৰতে ভাৰত অগ্ৰণি দেশ হিচাপে স্বীকৃত হোৱাৰ সম্ভাৱনীয়তা ব্যক্ত কৰে। ইছৰোৰ অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে যে উত্তৰ পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ প্ৰায় এশগৰাকী বিজ্ঞান শিক্ষাৰ্থীয়ে বেংগালুৰুত থকা ইছৰোৰ কেন্দ্ৰ পৰিদৰ্শন কৰাৰ সুযোগ লাভ কৰিব। উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ইছৰো আৰু ইয়াৰ ভালেসংখ্যক কৃত্ৰিম উপগ্ৰহই কাম কৰি আছে বুলিও অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চত্তিশগড়ত পথ দুৰ্ঘটনাত বহুকেইজন লোকৰ মৃত্যু হোৱাৰ ঘটনাত শোকপ্ৰকাশ কৰিছে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে নিহত লোককেইজনৰ নিকট আত্মীয়লৈ ২ লাখ টকা আৰু আহতসকলক ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে। চত্তিশগড় ৰাজধানী ৰায়পুৰত কালি নিশা সংঘটিত পথ দুৰ্ঘটনাত ৯ গৰাকী মহিলা আৰু ৪ টি শিশুকে ধৰি ১৩ জন লোকৰ মৃত্যু হয়।

০০০০০

দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা আৰু মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি দিল্লী বিধানসভাত ৫০০ কিল'ৱাট সৌৰ শক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই পদক্ষেপে স্বচ্ছ শক্তি আৰু পৰিৱেশ বহনক্ষমতাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। অনুষ্ঠানত ভাষণ দি দিল্লীৰ উপ ৰাজ্যপালগৰাকীয়ে কয় যে দিল্লী চৰকাৰে সৌৰ শক্তিৰ পদক্ষেপসমূহৰ বিষয়ে সক্ৰিয়ভাৱে প্ৰচাৰ কৰি আছে। দিল্লী বিধানসভাক এক সুকীয়া ঐতিহ্যক্ষেত্ৰ বুলি অভিহিত কৰি এই বিধানসভাই আমাক আমাৰ দায়বদ্ধতাৰ কথা সোঁৰৰাই দিয়ে বুলি শ্ৰী চাক্সেনাই মন্তব্য কৰে। এই প্ৰকল্পই বৰ্তমানৰ দিল্লী চৰকাৰৰ দূৰদৰ্শি দৃষ্টিভংগীৰ কথা প্ৰমাণ কৰে বুলিও তেওঁ লগতে উল্লেখ কৰে। এই পদক্ষেপে কেৱল প্ৰকল্প স্থাপনেই নহয় বৰঞ্চ উদ্ভাৱনৰ আৰম্ভণিৰ কথাও সূচায়।

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয় যে দিল্লী চৰকাৰ স্বচ্ছ আৰু সেউজ দিল্লী গঢ়ি তোলাৰ ক্ষেত্ৰত উৎসৰ্গিত। ৰাষ্ট্ৰীয় ৰাজধানীৰ বৰ্তমানৰ বিদ্যুৎ ব্যৱহাৰ আঠ হাজাৰ মেগাৱাট। এই চাহিদা পূৰণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে বুলি শ্ৰী গুপ্তাই উল্লেখ কৰি কয় যে ৫০০ কিল'ৱাটৰ এই সৌৰ শক্তি প্ৰকল্পই বিদ্যুতৰ খৰচ ১৫ লাখ টকা পৰ্যন্ত হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। এই ব্যয় হ্ৰাসে দিল্লীবাসীক উপকৃত কৰিব বুলি দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০

জনপ্ৰিয় ক্ৰিকেটাৰ বিৰাট কোহলীয়ে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ  ঘোষণা কৰিছে। সাম্প্ৰতিক ক্ৰিকেট বিশ্বৰ অন্যতম মহান খেলুৱৈ হিচাপে পৰিচিত কোহলীয়ে সামাজিক মাধ্যমত এই বাৰ্তা প্ৰকাশ কৰিছে। তেওঁৰ এই ঘোষণাই স্বাভাৱিকতে ভাৰতীয় টেষ্ট ক্ৰিকেটৰ এটা যুগৰ অন্ত পেলালে।

বিৰাট কোহলীয়ে খেলুৱৈ জীৱনত ১২৩ খন টেষ্ট মেচত গড়ে ৪৬ দশমিক ৮-৫ ৰানেৰে মুঠ ৯ হাজাৰ ২৩০ ৰান সংগ্ৰহ কৰিছে। নিজৰ ১৪ বছৰজোৰা টেষ্ট কেৰিয়াৰত কোহলী শচীন তেণ্ডুলকাৰ, ৰাহুল দ্ৰাবিড় আৰু সুনীল গাভাস্কাৰৰ পাছত ভাৰতৰ চতুৰ্থজন সৰ্বাধিক ৰান সংগ্ৰহকাৰী হিচাপে পৰিগণিত হৈছে। ভাৰতীয় ক্ৰিকেটত সোণালী অধ্যায়ৰ ৰচনা কৰি যোৱা বিৰাট কোহলীৰ অনবদ্য প্ৰতিভাই অনাগত প্ৰজন্মক অনুপ্ৰাণিত কৰিব।

ooooo

ঃঃ সমাপ্ত ঃঃ